পাঠ- 1

# সংখ্যা আৰু প্ৰক্ৰিয়া

6PNHLB

নলবাৰীৰ এখন প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ 20 গৰাকী ছাত্ৰ-ছাত্ৰী তেওঁলোকৰ শ্ৰেণী শিক্ষকৰ সৈতে শৈক্ষিক ভ্ৰমণৰ বাবে গুৱাহাটীলৈ যাবলৈ ওলাল। তেওঁলোকে গাইপতি দুশ টকাকৈ উঠালে আৰু এখন গাড়ীৰে যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোকে গুৱাহাটীৰ বিভিন্ন ঠাই যেনে- আঞ্চলিক বিজ্ঞান কেন্দ্ৰ, শংকৰদেৱ কলাক্ষেত্ৰ, চিৰিয়াখানা, তাৰকাগৃহ আৰু চানমাৰিত চলি থকা গ্ৰন্থমেলালৈ গ'ল। তেওঁলোকৰ গুৱাহাটী শৈক্ষিক ভ্ৰমণৰ অভিজ্ঞতাৰ ওপৰত কিছু প্ৰশ্নৰ উত্তৰ কৰোঁ আহা।




**দূৰত্ব**
- নলবাৰীৰ পৰা আঞ্চলিক বিজ্ঞান কেন্দ্ৰলৈ- 79 কি মি
- আঞ্চলিক বিজ্ঞান কেন্দ্ৰৰ পৰা শংকৰদেৱ কলাক্ষেত্ৰলৈ - 4 কি মি
- শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা চানমাৰিলৈ- 9 কি মি
- চানমাৰিৰ পৰা তাৰকাগৃহলৈ- 3 কি মি
- তাৰকাগৃহৰ পৰা নলবাৰীলৈ- 70 কি মি

(i) নলবাৰীৰ পৰা গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰলৈ দূৰত্ব ☐ কি মি।

(ii) কলাক্ষেত্ৰৰ পৰা তাৰকাগৃহলৈ মুঠ দূৰত্ব হ'ল ☐ কি মি।

(iii) চানমাৰিৰ পৰা তাৰকাগৃহ হৈ নলবাৰীলৈ মুঠ দূৰত্ব ☐ কি মি।

**এইবাৰ ভ্ৰমণৰ লগত জড়িত তলৰ সমস্যাবোৰ দলত বহি আলোচনা কৰি সমাধান কৰা**

(i) গাইপতি 200 টকাকৈ সংগ্ৰহ কৰিলে 20 জন ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মুঠ ধনৰ পৰিমাণ 200 টকা × 20 = ☐ টকা।





(ii) দলটোৱে গাড়ীৰ ভাৰাৰ বাবে 2200 টকা আদায় দিলে। তেন্তে তেওঁলোকৰ মুঠ সংগৃহীত ধনৰ কিমান টকা হাতত থাকিব? ☐

(iii) আঞ্চলিক বিজ্ঞান কেন্দ্ৰত প্ৰৱেশ টিকটৰ বাবে 21 জনৰ (শিক্ষকসহ) গাইপতি 10 টকাকৈ জমা দিয়াত টিকটৰ বাবে মুঠ খৰচ হ'ল ☐ টকা আৰু বাকী ৰ'ল ☐ টকা।

(iv) দলটোৱে খোৱাৰ বাবদ গাইপতি 65 টকাকৈ খৰচ কৰিলে। মুঠ 21 জনৰ কিমান টকা খৰচ হ'ল? 65 টকা × 21 = ☐ টকা।

(v) এতিয়া দলটোৰ হাতত ☐ টকা জমা থাকিল।

(vi) কিতাপ কিনিবৰ বাবে ৰণ্টুক দেউতাকে 450 টকা দি পঠাইছিল। সি গ্ৰন্থমেলাৰ পৰা তলত উল্লেখিত কিতাপসমূহ কিনিলে— এখন বুঢ়ী আইৰ সাধু মূল্য 66 টকা; এখন ঈছপৰ সাধু মূল্য 45 টকা; এখন Spoken English মূল্য 82 টকা আৰু ৰং কৰিব পৰা কিতাপ পাঁচখন মুঠ মূল্য 125 টকা। গ্ৰন্থমেলাত ৰণ্টুৱে মুঠ কিমান টকাৰ কিতাপ কিনিলে আৰু ৰণ্টুৰ হাতত কিমান টকা জমা থাকিল?

*শিক্ষকলৈ নিৰ্দেশনা - প্ৰতিটো সমস্যা সমাধান কি দৰে কৰিলে তাক শিক্ষকে নিৰীক্ষণ কৰিব।*

☞ তলৰ তথ্যখিনি পঢ়া

- পৃথিবীৰ বৃহত্তম নদীদ্বীপ মাজুলীৰ কালি 352 বৰ্গ কি মি।
- আহোমসকলে অসমত প্ৰায় 600 বছৰ ৰাজত্ব কৰিছিল।
- আকবৰে 1556 খ্ৰীষ্টাব্দৰ পৰা 1605 খ্ৰীষ্টাব্দলৈ শাসনভাৰ চলাইছিল।
- গুৱাহাটীৰ পৰা দিল্লীৰ দূৰত্ব 1930 কি মি।
- 2018 চনৰ পিয়ল মতে কাজিৰঙাত গঁড়ৰ সংখ্যা 2413 টা।
- হিমালয়ৰ উচ্চতম শৃংগ মাউণ্ট এভাৰেষ্টৰ উচ্চতা 8848 মিটাৰ।

**ওপৰৰ বাক্যত থকা সংখ্যাবোৰ আখৰেৰে প্ৰকাশ কৰোঁ আহা**

| | সংখ্যা | সংখ্যা (আখৰেৰে) |
|---|---|---|
| a. | 352 | তিনিশ বাৱন |
| b. | 600 | |
| c. | 1556 | |
| d. | 1605 | |

e. 1930 = ____

f. 2018 = ____


g. 2413 = ____

h. 8848 = ____

**স্থানীয় মান মনত পেলাওঁ আহা** শিক্ষকে 'পাঁচশ তিনি' সংখ্যাটো সকলোকে লিখিবলৈ দিলে। শিক্ষকে বহীবোৰ চাওঁতে দেখিলে যে কোনোবাই 5003 লিখিছে। তেখেতে ব'ৰ্ডত 5003 লিখি শুদ্ধ হৈছেনে সুধিলে। তেতিয়া কৌটিল্য নামৰ ছাত্ৰজনে থিয় হৈ ক'লে যে স্থানীয় মান মতে সংখ্যাটো শুদ্ধ হোৱা নাই। কাৰণ ব'ৰ্ডত লিখা সংখ্যাটোৰ শতকৰ মান 0 হৈ আছে। আচল সংখ্যাটো হ'ল— 503।





কৌটিল্যৰ কথাৰ আলম লৈ শিক্ষকে স্থানীয় মানৰ ধাৰণাটো আগৰ শ্ৰেণীত কৰাৰ দৰে পুনৰ মণিশলাৰ সহায়ত বুজাই দিলে— পাঁচশ তিনি সংখ্যাটোৰ একক ঘৰত 3, দহকৰ ঘৰত 0 আৰু শতকৰ ঘৰত 5 আছে। অৰ্থাৎ




| শতক | দহক | একক |
|---|---|---|
| 5 | 0 | 3 |

তাৰ পাছত শিক্ষকে মণিশলাত গুটি ভৰাই ছাত্ৰ-ছাত্ৰীক তলৰ অংককেইটা অনুশীলন কৰিবলৈ দিলে।

234 = 2 শতক + 3 দহক + 4 একক











1061 = 1 হাজাৰ + 0 শতক + 6 দহক + 1 একক




☞ ওপৰত দেখুওৱাৰ দৰে সংখ্যাবোৰ স্থানীয় মানত ভাঙি লিখা আৰু মণিশলাত ভৰোৱা

মণিশলা

a. 205 = ____




b. 911 = ____




c. 1234 = ____




d. 2061 = ____




e. 7009 = ____





f. 9999 = ____



☛ বাওঁফালৰ মণিশলা চাই সোঁফালে সংখ্যা লিখোঁ আহা

a.




| হাজাৰ | শতক | দহক | একক |
|---|---|---|---|
| 0 | 4 | 1 | 2 |


চাৰিশ বাৰ

b.





| | | | |
|---|---|---|---|
| | | | |

c.





| | | | |
|---|---|---|---|
| | | | |

d.




| | | | |
|---|---|---|---|
| | | | |

**এইবাৰ শিক্ষকে মণিশলাত আৰু এটা স্থান বঢ়াই দি ছাত্ৰ-ছাত্ৰীক সুধিলে পঞ্চম স্থানৰ মানটো কি?**




তেতিয়া নিশা নামৰ ছাত্ৰীজনীয়ে ক'লে পঞ্চম স্থানত এটি মণি আছে। ইয়াৰ মান 1 অযুত বা 10 হাজাৰ হ'ব। অৰ্থাৎ ওপৰৰ মণিশলাত দেখুওৱা সংখ্যাটো হ'ব

10 হাজাৰ + 4 হাজাৰ + 1 শতক + 3 দহক + 2 একক

= 10,000 + 4000 + 100 + 30 + 2 = 14,132 (চৈধ্য হাজাৰ এশ বত্ৰিছ)

**জানি লোৱা 10,000 = 1 অযুত**





☛ জানি থওঁ আহা

4 টা বা 5 টা অংকযুক্ত সংখ্যা ভাৰতীয় পদ্ধতি মতে লিখোতে শতক আৰু হাজাৰৰ স্থানৰ মাজত কমা (,) এটা দি লিখা হয়। যেনে- 14,132; 18,257; 93,452 ইত্যাদি।

পঢ়োতে আমি পঢ়িম - 14,132ক চৈধ্য হাজাৰ এশ বত্ৰিছ, 18,257ক ওঠৰ হাজাৰ দুশ সাতাৱন, 93,452ক তিৰানব্বৈ হাজাৰ চাৰিশ বাৱন।

☛ সংখ্যাক বহলাই লিখোঁ আহা

999 = 900 + 90 + 9

অভ্যাস কৰোঁ আহা

| সংখ্যা | কমা দি লিখা | বহলাই লিখা (বিস্তৃত ৰূপত) |
|---|---|---|
| 1111 | | |
| 2450 | | |
| 10981 | | |
| 55652 | | |
| 75902 | | |
| 86712 | | |
| 98910 | | |

*শিক্ষকলৈ নিৰ্দেশনা : ছাত্ৰ-ছাত্ৰীসকলক পঢ়া নিয়ম অভ্যাস কৰাব।*

এতিয়া তোমালোকে নিজাকৈ 5টা অংকৰে গঠিত একোটা সংখ্যা ভাবা আৰু নিজৰ বহীত বিস্তৃত ৰূপত লিখি প্ৰকাশ কৰিবলৈ চেষ্টা কৰা আৰু এজনে, আনজনে লিখা সংখ্যাৰ লগত তুলনা কৰা।

| | সংখ্যা | সংখ্যাৰ বিস্তৃত ৰূপ |
|---|---|---|
| a. | | |
| b. | | |
| c. | | |
| d. | | |
| e. | | |

☛ সংক্ষিপ্ত ৰূপত লিখোঁ আহা

(a) 800 + 80 + 9 = ______

(b) 2000 + 200 + 20 + 2 = ______

(c) 600 + 0 + 30 + 1 = ______

(d) 10000 + 6000 + 500 + 40 + 3 = ______

(e) 30000 + 0 + 0 + 60 + 7 = ______

☛ সংখ্যাত লিখোঁ আহা

(a) ন হাজাৰ আঠশ পাঁচ = ______

(b) পোন্ধৰ হাজাৰ সাতশ ন = ______

(c) পয়ত্ৰিশ হাজাৰ বিৰান্নৈ = ______

(d) উনসত্তৰ হাজাৰ ছয়শ = ______

(e) দহ হাজাৰ দুই = ______

☛ আখৰেৰে লিখোঁ আহা

(a) 15,907 = ______

(b) 29,008 = ______

(c) 61,507 = ______

(d) 70,091 = ______

(e) 92,990 = ______

☛ সৰুৰ পৰা ডাঙৰলৈ ক্ৰমত সজাওঁ আহা

(a) 723, 732, 690, 960 — 690, ___, ___, ___

(b) 2823, 2832, 3282, 3228 — ___, ___, ___, ___

(c) 69002, 96200, 96002, 69200 — ___, ___, ___, ___

(d) 68625, 68256, 68652, 68265 — ___, ___, ___, ___





☛ ডাঙৰৰ পৰা সৰুলৈ ক্ৰমত সজাওঁ আহা

(a) 5236, 2365, 6325, 3652 — ___, ___, ___, ___

(b) 69302, 96302, 69203, 96320 — ___, ___, ___, ___

(c) 75695, 75596, 69575, 69755 — ___, ___, ___, ___

(d) 69212, 96221, 69122, 96212 — ___, ___, ___, ___

☛ তলৰ অংকবোৰ ব্যৱহাৰ কৰি 5 অংক বিশিষ্ট আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু সংখ্যাটো লিখোঁ আহা

| | অংক | আটাইতকৈ সৰু সংখ্যা | আটাইতকৈ ডাঙৰ সংখ্যা |
|---|---|---|---|
| a) | 2,5,7,3,1 | 12357 | 75321 |
| b) | 6,0,7,2,4 | | |
| c) | 1,6,2,3,4 | | |
| d) | 2,1,8,9,5 | | |

☛ তলৰ আঁচ দিয়া অংকবোৰৰ স্থানীয় মান লিখোঁ আহা

a) 1 $\underline{4}$ 6 5 1 = ______

b) 3 $\underline{0}$ 7 2 5 = ______

c) $\underline{9}$ 2 7 2 5 = ______

d) $\underline{8}$ 2 7 1 1 = ______

e) 6 1 $\underline{2}$ 4 1 = ______

f) 8 6 7 0 $\underline{2}$ = ______

☛ সংখ্যা দুটা তুলনা কৰি খালীস্থানত উপযুক্ত >, < বা = চিন বহুৱাও আহা

(a) 38640 [ < ] 48694

(b) 10040 [ ] 10004

(c) 87878 [ ] 87877

(d) 60060 [ ] 60600

(e) 10243 [ ] 11000

(f) 44232 [ ] 42432

(g) 32098 [ ] 32098

(h) 10010 [ ] 11010

**মন কৰা ঃ** সংখ্যাৰ ডাঙৰ-সৰু তুলনা কৰোঁতে স্থানীয় মান চাইহে কৰিব লাগে। প্ৰথমতে সংখ্যাটোৰ বাওঁফালৰ পৰা এটা এটাকৈ স্থান চাই যাব লাগে। একে অংক পালে পাছলৈ গৈ থাকিব লাগে। ধৰা হ'ল দুটা সংখ্যা 6251 আৰু 6235। ইহঁতৰ হাজাৰৰ ঘৰত একে অংক আছে। তাৰ পাছৰ শতকৰ অংক দুটাও একে আছে। তাৰ পাছত দহকত অংক দুটাৰ প্ৰথমটো 5 আৰু পাছৰটোত 3 আছে। যিহেতু 5 > 3 গতিকে 6251 সংখ্যাটো 6235তকৈ ডাঙৰ অৰ্থাৎ 6251 > 6235।

**'মই কোন' ভাবি চাওঁ আহা**

(i) মই এটা 5 অংক বিশিষ্ট সংখ্যা।

(ii) মই তিনি অংক বিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটোৰ ঠিক আগৰ সংখ্যাটো।

(iii) অযুতৰ স্থানত থকা অংকটো দহক আৰু একক স্থানত থকা অংক দুটাৰ পাৰ্থক্য।

(iv) হাজাৰৰ স্থানত থকা অংকটো হ'ল তোমাৰ শ্ৰেণীটো।

এতিয়া 'মই কোন' লিখা [ ]

☛ **চিন্তা কৰি খালী ঠাইবোৰ পূৰ কৰা**

(a) 95072ত 9ৰ স্থানীয় মান ________।

(b) চাৰি অংক বিশিষ্ট আটাইতকৈ সৰু সংখ্যাটো ______ আৰু আটাইতকৈ ডাঙৰ সংখ্যাটো ______ ।





(c) চাৰি অংক বিশিষ্ট আটাইতকৈ সৰু সংখ্যাটোৰ আগৰ সংখ্যাটো ________।

(d) ______ + 0 = 4563


(e) ______ − 1000 = 9000

(f) চাৰি অংকবিশিষ্ট আটাইতকৈ ডাঙৰ সংখ্যাটোৰ লগত 1 যোগ কৰিলে ______ অংকবিশিষ্ট আটাইতকৈ সৰু সংখ্যা পোৱা যায়।


**জানি লওঁ আহা ঃ** পাঁচ অংকৰ আটাইতকৈ ডাঙৰ সংখ্যাটোৰ লগত এক যোগ কৰিলে ছয় অংকৰ আটাইতকৈ সৰু সংখ্যা অৰ্থাৎ 1,00,000 পোৱা নাযাবনে? এই সংখ্যাটোৰ নাম- এক লাখ।

☛ বৃত্ত আৰু বৰ্গত কি উপযুক্ত সংখ্যা বহিব চিন্তা কৰি লিখোঁ আহা


a.




b.




c.



- স্থানীয় মানৰ তালিকাখন চাই ডাঙৰ সংখ্যা পঢ়াৰ নিয়ম জানি লওঁ আহা

| কোটিৰ গোট | | লাখৰ গোট | | হাজাৰৰ গোট | | এককৰ গোট | | |
|---|---|---|---|---|---|---|---|---|
| দহ কোটি | এক কোটি | দহ লাখ বা এক নিযুত | এক লাখ | দহ হাজাৰ বা এক অযুত | এক হাজাৰ | শতক | দহক | একক |
| 10,00,00,000 9 টা অংক | 1,00,00,000 8 টা অংক | 10,00,000 7 টা অংক | 1,00,000 6 টা অংক | 10,000 5 টা অংক | 1000 4 টা অংক | 100 3 টা অংক | 10 2 টা অংক | 1 1 টা অংক |
| 4 | 1 | 6 | 5 | 8 | 9 | 4 | 7 | 3 |

ওপৰৰ তালিকাখনত শেষৰ শাৰীত থকা সংখ্যাটো কিমান চাওঁ আহা

**এককৰ গোটত** থকা অংক হৈছে **4, 7** আৰু **3** ; গতিকে তাৰ **স্থানীয় মান** = 473

**হাজাৰৰ গোটত** থকা অংক হৈছে **8** আৰু **9** ; গতিকে তাৰ **স্থানীয় মান** = 89 হাজাৰ

**লাখৰ গোটত** থকা অংক হৈছে **6** আৰু **5** ; গতিকে তাৰ **স্থানীয় মান** = 65 লাখ

**কোটিৰ গোটত** থকা অংক হৈছে **4** আৰু **1** ; গতিকে তাৰ **স্থানীয় মান** = 41 কোটি

গতিকে, সংখ্যাটো হ'ব 41 কোটি 65 লাখ 89 হাজাৰ 473

ডাঙৰ সংখ্যা এটা সহজে পঢ়াৰ সুবিধাৰ বাবে সোঁফালৰ পৰা ক্ৰমে তিনিটা আৰু তাৰ পাছত দুটা দুটা অংক এৰি কমা দি যাব লাগে যেনে - 375963109 সংখ্যাটো 37,59,63,109 এইদৰে লিখিবা।

তলৰ সংখ্যাটো চোৱা আৰু পঢ়িবলৈ চেষ্টা কৰা

4 5 1 7 3 6 2 0 9

- 9 একক = 9 × 1 = 9
- 0 দহক = 0 × 10 = 00
- 2 শতক = 2 × 100 = 200
- 6 হাজাৰ = 6 × 1000 = 6000
- 3 দহ-হাজাৰ = 3 × 10,000 = 30,000
- 7 লাখ = 7 × 1,00,000 = 7,00,000
- 1 দহ লাখ = 1 × 10,00,000 = 10,00,000
- 5 কোটি = 5 × 1,00,00,000 = 5,00,00,000
- 4 দহ কোটি = 4 × 10,00,00,000 = 40,00,00,000

মন কৰা ঃ কোনো এটা সংখ্যাৰ স্থানীয় মান সোঁফালৰ পৰা বাঁওফাললৈ দহ গুণকৈ বাঢ়ি যায়।





**বিয়োগ কৰোঁ আহা**

উদাহৰণ

a) 321 − 78 = 243

b) 467 − 329 = 138

c) 7860 − 2861 = 4999

**অভ্যাসন**

1. 728 − 389 = ____
2. 4316 − 729 = ____
3. 6782 − 3567 = ____
4. 8173 − 2954 = ____
5. 23921 − 3829 = ____
6. 26272 − 15729 = ____

☛ **চিন্তা কৰা আৰু কি হ'ব উলিওৱা**

(a) 3217 + 9673 = 12890 ; 12890 – 9673 = ?

(b) 7612 + 2892 = 10504 ; 10504 – 7612 = ?

(c) 8292 – 6479 = 1813 ; 6479 + 1813 =?

(d) 9678 – 3859 = 5819 হ'লে 3859 + 5819 = ?

☛ **সমস্যাবোৰ সমাধান কৰিবলৈ চেষ্টা কৰা**

(a) দুটা সংখ্যাৰ যোগফল 41283, তাৰে এটা 28239 হ'লে আনটো কিমান হ'ব?

(b) 67192 আৰু 73841ৰ মাজত পাৰ্থক্য কিমান?

(c) 32721, 40621 আৰু 72901ৰ যোগফল নিৰ্ণয় কৰা।

(d) 28709ৰ লগত কি যোগ কৰিলে যোগফল 78239 হ'ব?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** এনে ধৰণৰ অংক নিজাববীয়াকৈ দি বহীত কৰাব।

সংখ্যাৰ প্ৰক্ৰিয়াসমূহ

**যোগ কৰোঁ আহা**

চতুৰ্থ শ্ৰেণীত ইতিমধ্যে আমি 3টা অংক বিশিষ্ট সংখ্যাৰ যোগ আৰু বিয়োগ অংক কৰিছোঁ। একে পদ্ধতিৰে আমি 4টা আৰু 5টা অংক বিশিষ্ট সংখ্যাৰ যোগ আৰু বিয়োগ অংক কৰিব পাৰো।

উদাহৰণ

a.

| | শ | দ | এ |
|---|---|---|---|
| | (1) | (1) | |
| | 5 | 6 | 8 |
| + | 2 | 8 | 9 |
| | 8 | 5 | 7 |

b.

| | হা | শ | দ | এ |
|---|---|---|---|---|
| | (1) | (1) | (1) | |
| | 8 | 6 | 8 | 7 |
| + | | 3 | 9 | 3 |
| | 9 | 0 | 8 | 0 |

c.

| | অ | হা | শ | দ | এ |
|---|---|---|---|---|---|
| | (1) | | (1) | (1) | |
| | 4 | 7 | 2 | 7 | 6 |
| + | 2 | 4 | 3 | 4 | 5 |
| | 7 | 1 | 6 | 2 | 1 |

**অভ্যাসন**

1. $126 + 325$

2. $806 + 98$

3. $1761 + 179$

4. $2007 + 2376$

5. $1234 + 891$

6. $9123 + 482$

7. $7614 + 325$

8. $18625 + 7928$

9. $13782 + 72128$



4. $6543 \times 3$

5. $8469 \times 5$

6. $6893 \times 15$

7. $8507 \times 14$

8. $9001 \times 28$

9. $2281 \times 15$

10. $9824 \times 12$

11. $1012 \times 34$

12. $5621 \times 84$

**সমস্যাবোৰ ভালদৰে পঢ়া আৰু সমাধান কৰা**

1. বিনোদৰ দেউতাকে মাঘ বিহুৰ সময়ত নিজৰ মাছপোহা পুখুৰীৰ বৌমাছ বেচি 20,000 টকা, কমন কাৰ্প মাছ বেচি 25,500 টকা আৰু আৰি মাছ বেচি 2,500 টকা পালে। তেওঁ মাছ বেচি মুঠতে কিমান টকা অৰ্জন কৰিলে?
2. ৰমাৰ মাকৰ মাহিলি আয় 15,000 টকা। তেখেতে তাৰে প্ৰতি মাহে 5,000 টকা পোষ্ট অফিচত জমা ৰাখে। এবছৰত তেওঁ কিমান টকা পোষ্ট অফিচত জমা ৰাখে আৰু প্ৰতি মাহত তেওঁৰ আয়ৰ কিমান টকা বাকী থাকে?
3. 25,000 আসনৰ ক্ষমতা থকা এখন ষ্টেডিয়ামত ফুটবল মেচ এখন চাবলৈ 22,345 জন দৰ্শক উপস্থিত আছিল। ষ্টেডিয়ামখনত সেইদিনা কিমান আসন খালী আছিল?
4. ৰমেনে গুৱাহাটীলৈ পটল বিক্ৰী কৰিবলৈ গ'ল। তেওঁ প্ৰতিকিলো 40 টকা দৰত 30 কিলোগ্ৰাম পটল বিক্ৰী কৰিলে। তেওঁ কিমান টকা অৰ্জন কৰিলে?
5. এখন মণ্ডল পৰ্যায়ৰ ক্ৰীড়া সমাৰোহত 8 খন বিদ্যালয়ৰ পৰা মুঠ 400 ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। প্ৰতিখন বিদ্যালয়ৰ পৰা সমান সংখ্যক অংশগ্ৰহণকাৰীয়ে যোগদান কৰিলে, প্ৰতিখন বিদ্যালয়ৰ যোগদানকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান আছিল?

◆ ◆ ◆

☛ বিয়োগফল চোৱা আৰু চিন্তা কৰি বাকচত সঠিক অংক বহুওৱা

(a)
$$\begin{array}{r} 5\ \square\ 3\ 4\ 6 \\ -\ \square\ 7\ 2\ 1\ \square \\ \hline 2\ 3\ 1\ 3\ 2 \end{array}$$

(b)
$$\begin{array}{r} \square\ 4\ \square\ 6\ 2 \\ -\ 7\ \square\ 4\ \square\ \square \\ \hline 2\ 1\ 6\ 5\ 9 \end{array}$$

(c)
$$\begin{array}{r} \square\ 5\ 6\ 3\ 5 \\ -\ 3\ 7\ \square\ 2\ \square \\ \hline \square\ \square\ 8\ \square\ 3 \end{array}$$

(d)
$$\begin{array}{r} 9\ 2\ 8\ 5\ \square \\ -\ \square\ 5\ \square\ \square\ 5 \\ \hline 6\ \square\ 9\ 2\ 5 \end{array}$$

**পূৰণ কৰোঁ আহা**

উদাহৰণ

a.
$$\begin{array}{rll} 125 & & \\ \times\ 45 & \rightarrow & 45 = 40 + 5 \\ \hline 625 & \rightarrow & 125 \times 5 = 625 \\ +\ 5000 & \rightarrow & 125 \times 40 = 5000 \\ \hline 5625 & & \end{array}$$

নাইবা $125 \times 45$
$= 125 \times (40 + 5)$
$= 125 \times 40 + 125 \times 5$
$= 5000 + 625$
$= 5625$

b.
$$\begin{array}{rll} 324 & & \\ \times\ 151 & \rightarrow & (100 + 50 + 1) \\ \hline 324 & \rightarrow & 324 \times 1 = 324 \\ 16200 & \rightarrow & 324 \times 50 = 16200 \\ +\ 32400 & \rightarrow & 324 \times 100 = 32400 \\ \hline 48924 & & \end{array}$$

নাইবা $324 \times 151$
$= 324 \times (100+50+1)$
$= 324 \times 100 + 324 \times 50 + 324 \times 1$
$= 32400 + 16200 + 324$
$= 48924$

**অভ্যাসন**

1. $\begin{array}{r} 305 \\ \times\ 21 \\ \hline \end{array}$

2. $\begin{array}{r} 199 \\ \times\ 14 \\ \hline \end{array}$

3. $\begin{array}{r} 4321 \\ \times\ 2 \\ \hline \end{array}$